# দ্য গহপুৰ গেজেট

দ্বি-ভাষিক বিদ্যাৰ্থী পত্ৰিকা, গণ মাধ্যম বিভাগ, ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ

প্ৰথম সংস্কৰণ, সংখ্যাঃ ২, অক্টোবৰ ২০১৭


## নাকৰ পৰিদৰ্শনৰ বাবে সাজু ছয়দুৱাৰ মহাবিদ্যালয়

ৰশ্মি বৰা, গহপুৰ,২৮ছেপ্তেম্বৰ




ছয়দুৱাৰ মহাবিদ্যালয়লৈ৩০ আৰু ৩১ অক্টোবৰ ২০১৭ তাৰিখে মহাবিদ্যালয়ৰ মূল্যায়ণ আৰু স্বীকৃতি প্ৰদানৰ বাবে নাক (নেচনেল এচেছমেন্ট এণ্ড এক্ৰিডিটেচন কাউনচিল) য়ে পৰিদৰ্শন কৰিব। প্ৰথমে পিয়াৰ টিমৰ পৰিদৰ্শনৰ দিন ছেপ্তেম্বৰৰ ১৮ আৰু১৯তাৰিখে ধাৰ্য কৰা হৈছিল যদিও সেই সময়ত মহাবিদ্যালয়ত বানপানী সমস্যাৰ বাবে সেই দিন স্থগিত ৰখা হৈছিল।ছয়দুৱাৰ মহাবিদ্যালয়ত নাকৰ এইয়া তৃতীয় চক্ৰৰ পৰিদৰ্শন। নাকৰ প্ৰথম আৰু দ্বিতীয় চক্ৰৰ পৰিদৰ্শন ক্ৰমে ২০০৪ আৰু২০১০চনত হৈছিল।

প্ৰকাশিত কাৰ্যসুচী মতে নাকৰ এটা তিনিজনীয়া পিয়াৰ দলে মহাবিদ্যালয় পৰিদৰ্শনৰ বাবে আহিব।তেওঁলোকে মহাবিদ্যালয়ৰ চৌহদ,সকলো শিক্ষণ বিভাগ,ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস,পুথিভঁৰাল,সহযোগী সেৱা,প্ৰশাসনিক বিভাগ আৰু সকলো আনুসাংগিক বিভাগ সমূহ পৰিদৰ্শন কৰিব।এই পৰিদৰ্শন সমাপ্ত কৰি পিয়াৰ দলটোৱে ছাত্ৰ-ছাত্ৰী,প্ৰাক্তন ছাত্ৰ-ছাত্ৰী,শিক্ষক-শিক্ষয়িত্ৰী,অভিভাৱক-অভিভাৱিকা সকলৰ লগত এক আছুতীয়া সাক্ষাৎ কৰিব। এই কথোপকথনৰ অন্তত হ'ব লগা সামৰণি সভাত পিয়াৰ দলটিয়ে তেওঁলোকে যুগুত কৰি উলিওৱা গোপনীয় মূল্যায়ণৰ প্ৰতিবেদন খন মহাবিদ্যালয়ৰ অধ্যক্ষৰ হাতত হস্তান্তৰ কৰিব। এই প্ৰতিবেদনত মুঠ ৭টা পূৰ্ব নিৰ্ধাৰিত নিৰ্ণায়কৰ ভিত্তিত মহাবিদ্যালয়খনক কি ধৰণে মূল্যাংকণ কৰা হ'ল তাৰ সকলো তথ্য সন্নিবিষ্ট থাকিব।উচ্চশিক্ষা অনুস্থান সমুহত হোৱা নাকৰ এই পৰিদৰ্শন সমূহ প্ৰতি পাঁচ বছৰৰ অন্তৰালত হয়। এই মূল্যায়ণৰ ওপৰত ভিত্তি কৰিয়েই বিশ্ববিদ্যালয় অনুদান আয়োগৰ তৰফৰ পৰা আৰ্থিক সাহাৰ্য সমূহ প্ৰদান কৰা হয়। ছয়দুৱাৰ মহাবিদ্যালয়ে পূৰ্বৰ মূল্যায়নত বি-গ্ৰেড (২.৬৪পইন্ট) পাবলৈ সক্ষম হৈছিল। আগন্তুক নাকৰ এই পৰিদৰ্শনৰ বাবে মহাবিদ্যালয় খন সাজু হৈছে। মহাবিদ্যালয়ত ইতিমধ্যে এই পৰিদৰ্শনৰ বিভিন্ন কাম-কাজ পৰিচালনাৰ বাবে বিভিন্ন সমিতি,উপ-সমিতি গঠন কৰা হৈছে। উক্ত সমিতি সমূহে মহাবিদ্যালয়ৰ কাম-কাজ সমূহ নিৰ্ধাৰিত সময়মতে সম্পূৰ্ণ কৰাৰ প্ৰচেষ্টা হাতত লৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড' অঞ্জন কুমাৰ ওজা দেৱে জানিবলৈ দিয়া মতে ছয়দুৱাৰ মহাবিদ্যালয় পৰিয়াল আগন্তুক নাক পৰিদৰ্শন আৰু মূল্যায়ণৰ কাৰণে সম্পূৰ্ণৰূপে সাজু হৈছে। তৃতীয় চক্ৰৰ এইমূল্যায়নত ছয়দুৱাৰ মহাবিদ্যালয়ে নিজৰ যোগ্যতা অনুযায়ী ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব বুলি মহাবিদ্যালয় কৰ্তৃপক্ষ আশাবাদী।

## ১৭ অনূৰ্দ্ধ ফিফা বিশ্বকাপ

**হৰেন্দ্ৰ মৰাং,গহপুৰ,২০ অক্টোবৰ:**৬ অক্টোবৰ দিনটো ভাৰতৰ ক্ৰীড়া ইতিহাসত এক সোণালী অধ্যায় হিচাপে পৰিগণিত হৈ থাকিব। এই দিনটোতে ভাৰতে নিজৰ ভূমিত পোন প্ৰথম বাৰৰ বাবে ফিফা অনুমোদিত ১৭ অনূৰ্দ্ধ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ আয়োজক হোৱাৰ খ্যাতি অৰ্জন কৰিলে। বিশ্বকাপ ফুটবলত প্ৰথমবাৰৰ বাবে আত্মপ্ৰকাশ কৰা ভাৰতে এই প্ৰতিযোগিতাৰ আয়োজক হোৱাৰ অধিকাৰ২০১৩ চনতে লাভ কৰিচিল। দ্বি-বাৰ্ষিক এই প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণ ৬পৰা ২৮ অক্টোবৰলৈ অনুষ্ঠিত হ'ব। ভাৰতৰ লগতে মুঠ ২৪খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা খনিত সৰ্বমুঠ ৪৪ খন খেল ভাৰতৰ ছয় খন বিভিন্ন ঠাইৰ খেলপথাৰত অনুস্থিতহ'ব। এই ঐতিহাসিক প্ৰতিযোগিতা খনি সামৰণি পৰিব২৮ অক্টোবৰৰ সন্ধিয়া কলকাতাৰ সল্টলেক্ ষ্টেডিয়ামত। যোগ্যতা অৰ্জনকাৰি দেশসমূহত প্ৰথম পৰ্যায়ত ৰাউণ্ড ৰবিন পদ্ধতিত প্ৰতিদন্দিতা কৰিব। ইয়াৰ পাচত মুঠ১৬ টা দলে নকআউট পৰ্যায়লৈ অগ্ৰসৰ হোৱাৰ যোগ্যতা অৰ্জন কৰিব। আয়োজক দেশ হিচাপে পোনপতিয়াকৈ ভাৰতে ১৭ অনূৰ্দ্ধ ফিফা বিশ্বকাপ ফুটবললৈ প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰিছিল। এই প্ৰতিযোগিতাত ভাৰতে ঘানা,কলম্বীয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ লগত তিনি খন খেলত অৱতীৰ্ণ হয় যদিও তিনিওখন খেলতে পৰাজয় বৰণ কৰিব লগা হোৱাত প্ৰথম ৰাউণ্ডতে প্ৰতিযোগিতাৰ পৰা মেলানী মাগিব লগা হয়।ভাৰতে আয়োজকৰ ভূমিকা পালন কৰিবলৈ সক্ষম হোৱাৰ বাবে দেশখনৰ খেলৰ ক্ষেত্ৰ খনত বহুতো আন্তঃগাঠনি উন্নয়নৰ লগতে এখন আন্তঃৰাষ্ট্ৰীয় খেল আয়োজনৰ যোগ্যতা অৰ্জন কৰিলে। এই প্ৰতিযোগিতা খনত অংশ গ্ৰহণৰ সুযোগে ভাৰতৰ যুব খেলুৱৈ সকলৰ প্ৰতিভা বিশ্ববাসীৰ আগত প্ৰৰ্দশনৰ সুবিধা প্ৰদান কৰিলে। এই প্ৰতিযোগিতা খনিত অংশগ্ৰহণ কৰি ভাৰতৰ খেলুৱৈ সকলে আন্তঃৰাষ্ট্ৰীয় খেল এখন খেলাৰ অভিজ্ঞতা লাভ কৰিলে আৰু এই অভিজ্ঞতাই পৰৱৰ্তী সময়ত ফুটবল খেলৰ ক্ষেত্ৰ খনত বিশ্বৰ আন দেশ সমূহৰ লগত খোজত খোজ মিলাই যাবলৈ ভাৰতৰ উদীয়মান ফুটবলাৰ সকলৰ সহায়ক হ'ব বুলি আশা কৰিব পাৰি। যদিও ১২০ কোটি জনতাৰ বহু আশাত চেঁচা পানী পৰিল তথাপিও ভাৰতৰ ফুটবল খেলৰ ক্ষেত্ৰ খনত বহুতো ইতিবাচক দিশ মুকলি কৰি গ'ল এই প্ৰতিযোগিতা খনে।

## Turbulent Times, Intolerant Society

Human civilization might very well be going through one of its worst phases of sustenance in contemporary times. Increasing sense of insecurity, distrust and murky musings are fast encroaching into conscious domain of the Homosepians, the greatest creation of god. Day to day incidents are directing in only one direction these days, ever growing intolerance and palpable disjointedness among people, communities, race, religion and so on. Right from the killing of Journalists to the recent pelting at the vehicles of foreign players, the society is showing all indications of rolling back on the evolution radar. Rather acting prompt on matters of urgency and issues that affect masses, we have become comfortably numb to the periphery apathies and are busy basking the petty issues to mainstream. Is it the effect of unprecedented man-machine interaction where the slave is getting better over the master? Or it is rise of a virtual culture that defies all the real and lives a reel life. So many applications like Face App and Selfie App only exposes our feebleness about being real. We are happy living in a made up world and overlook the roots we belong too. The Social Media has promoted Narcissism and Jingoism to the next level. Hate Speeches, Engineered photos and videos etc have eclipsed the benevolence and goodwill. We are overtly or covertly participating in the chain of hatemongering and abhorrence.The things look ominous to say the least. But nights do open up to sunrise. This is how life has surviving; civilization has been prospering beating odds since antiquity. Times will be there when allies turn enemies, when hope gives its way unholy nexus but the day will never come when truth, light and life will abandon us. Till the traces of humanity left in this green planet the 'green-thon' of life will continue to march on.


### সম্পাদনা মণ্ডলি

*মূখ্য পৃষ্ঠপোষক ঃ ড° অঞ্জন কুমাৰ ওজা*
*উপদেষ্টা ঃ ড° দীপক দাস*
*সম্পাদনা আৰু ৰিপ'ৰ্টিং ঃ নিশা চাহু, পুষ্পা গগৈ, প্ৰণতি দাস, হৰেন্দ্ৰ মৰাং, দিলিপ ৰবি দাস, ৰশ্মি বৰা।*
*কৃতজ্ঞতা স্বীকাৰ ঃ শিঞ্জিত কমল বৰা*
*প্ৰকাশক ঃ গণ মাধ্যম বিভাগ, ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ*


## চলচ্চিত্ৰ ৰসস্বাদন পাঠ্যক্ৰম



**গহপুৰ আগষ্ট ২২ ঃ** সম্প্ৰতি ছয়দুৱাৰ মহাবিদ্যালয়ৰ গণ মাধ্যম বিভাগৰ চতুৰ্থ ষান্মাষিকৰ চাৰি গৰাকী শিক্ষাৰ্থীয়ে যোৰহাটত অনুস্থিত এক চলচ্চিত্ৰ ৰসস্বাদন পাঠ্যক্ৰমত অংশগ্ৰহণ কৰে। এই সপ্তাহজোৰা পাঠ্যক্ৰম অসম চলচ্চিত্ৰ সমাজ,যোৰহাট আৰু জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ চলচ্চিত্ৰ সমাজৰ উদ্যোগত ভাৰতীয় চলচ্চিত্ৰ মহাসংঘৰ সহযোগত অনুস্থিত হয়। ২৯জুনৰ পৰা৪ জুলাইলৈকে অনুস্থিত হোৱা এই পাঠ্যক্ৰমত ৫০ গৰাকী অংশগ্ৰহনকাৰীয়ে অংশগ্ৰহন কৰে। উক্ত অনুস্থানত অংশগ্ৰহনকাৰী সকলক চলচ্চিত্ৰ নিৰ্মাণৰ বিভিন্ন দিশ যেনে দৃশ্যসজ্জা, আলোকসজ্জা, গীত-নৃত্য আদিৰ উপস্থাপন আৰু নিৰ্মাণৰ বিষয়ে সবিশেষ ধাৰণা প্ৰদান কৰে। উল্লেখ্য এই পাঠ্যক্ৰমত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক গৌতম বৰা , চলচ্চিত্ৰ সমালোচক উৎপল দত্ত, প্ৰাঞ্জল বৰা , ড° জয়ন্ত মাধৱ দত্ত , ড° সুৰজিৎ শৰ্মা, দেৱজিৎ দত্ত, মানসজ্যোতি বৰা আৰু চন্দন ভূঞাই সমল ব্যক্তি হিচাপে অংশগ্ৰহন কৰে, এই পাঠ্যক্ৰমৰ সমন্বয়ক আছিল অধ্যাপক প্ৰাঞ্জল বৰা। পাঠ্যক্ৰমৰ সামৰণি অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহকাৰী সঞ্চালক তথা বিশিষ্ট লেখক তথা চলচ্চিত্ৰ সমালোচক উৎপল দত্তই মুখ্য অতিথি হিচাপে অংশ গ্ৰহন কৰে । এই অনুষ্ঠানত লেখিকা নম্ৰতা দত্ত, অসম চলচ্চিত্ৰ সমাজৰ উপ-সভাপতি হেমেন বৰা আৰু জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক সুৰজিৎ শৰ্মাকে আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে আংশগ্ৰহন কৰে।

## মহাবিদ্যালয়ৰ পৰিয়ালৰ্বগৰ বানসাহায্য বিতৰণ

গহপুৰ আগষ্ট ২২:গহপুৰ বিধান সভা সমষ্টিৰ অৰ্ন্তগত জয়পুৰ,দক্ষিণ জয়পুৰ, আৰু দেলহউচী গাঁৱত ছয়দুৱাৰ মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু ছাত্ৰ-ছাত্ৰীয়ে বান সাহায্য প্ৰদান কৰে । গহপুৰ মহকুমাৰ ভালেকেইখন গাঁৱত শেহতীয়া বানে ভয়াবহক ৰূপ ধাৰণ কৰিছে। ইতিমধ্যে এই বানবিধস্ত গাওঁসমূহত চৰকাৰ আৰু বিভিন্ন ছাত্ৰ সংগঠনে বান সাহায্য প্ৰদান কৰিছে। লগতে এই বানবিধস্ত গাওঁকেইখনত ছয়দুৱাৰ মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গই ১৫০ ঘৰতকৈ অধিক বানাক্ৰান্ত পৰিয়ালক বান সাহায্য প্ৰদান কৰে। মহাবিদ্যালয়ৰ ফালৰ পৰা বান সাহায্য হিচাপে খাদ্যবস্তু,বস্ত্ৰ আদিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কলম, বহী ইদ্যাতি শিক্ষণ সামগ্ৰী প্ৰদান কৰে। এই সাহায্য বিতৰনস্থলীত মহাবিদ্যালয়ৰ কৰ্মচাৰী, শিক্ষক তথা শিক্ষাৰ্থী সকল উপস্থিত থাকে।

## গহপুৰ প্ৰশাসনৰ সৰ্তকতা

**গহপুৰ ছেপ্তেম্বৰ,১৬**: হেলমেটবিহীন ভাৱে তথা অসাৱধানতাৰে মটৰ চাইকেল আৰু স্কুটাৰ চলাই যানবানহ আইন উলংঘা কৰা শিক্ষাৰ্থী সকলক সতৰ্ক কৰি দিবৰ বাবে গহপুৰ মহকুমাৰ প্ৰশাসনে গহপুৰ স্থিত শিক্ষানুষ্ঠান সমূহলৈ এক নিৰ্দেশনা জাৰি কৰে।এই সন্দৰ্ভত গহপুৰ মহকুমাধিপতিয়ে যোৱা ১২ ছেপ্তেম্বৰত শিক্ষানুষ্ঠান সমূহৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা জাননি তথা নিৰ্দেশনা উল্লেখ কৰা অনুসৰি, একাংশ শিক্ষাৰ্থীয়ে শিক্ষানুষ্ঠান চলি থকাৰ সময়ত উনিৰ্ফম পিন্ধি হেলমেট পৰিধান নকৰাৰ লগতে অসাৱধানতাৰে বাইক-স্কুটাৰ চলাই যানবাহন আইন-শৃংখলা ভংগ কৰাটো মহকুমা প্ৰশাসনৰ দৃষ্টিগোচৰ হৈছে।এনে কাৰ্য শিক্ষাৰ্থী সকলৰ জীৱনৰ বাবে বিপজ্জনক হোৱাৰ লগতে সকলোৰে বাবে উদ্বেগজনক বিষয় হৈ পৰিছে। গতিকে শিক্ষাৰ্থী সকলৰ এনে কাৰ্য বন্ধ কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে সংশ্লিষ্ট শিক্ষানুষ্ঠান সমূহৰ কৰ্তৃপক্ষক গহপুৰ মহকুমাধিপতি ড ইন্দ্ৰানসী দাসে আহবান জনাই। আনহাতে এই ক্ষেত্ৰত ট্ৰেফিক আইন উলংঘা কৰা সকলৰ বিৰুদ্ধে যথাবিহিত আইন সংগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰে।ইপিনে নিৰ্দেশনাটো পোৱাৰ লগে লগে শিক্ষানুষ্ঠান সমূহৰ কৰ্তৃপক্ষই শিক্ষাৰ্থী সকলক বিষয়টো অৱগত কৰি সতৰ্ক কৰি দিছে বুলি জানিব পৰা গৈছে।

## গুৰুজনাৰ তিথি

**গহপুৰ আগষ্ট ২৩:** গহপুৰৰ উচ্চ শিক্ষানুষ্ঠানৰ প্ৰাণকেন্দ্ৰ ছয়দুৱাৰ মহাবিদ্যালযত বিগত বছৰসমুহৰ দৰে এই বছৰো শ্ৰীমন্ত শংকৰ দেৱৰ তিথি পালন কৰা হয়। পুৱা ৭ বজাত সাঁতোৰ প্ৰতিযোগিতাৰ সৈতে গুৰুজনাৰ তিথিৰ শুভাৰম্ভ হয় আৰু গুৰুজনাৰ তিথিৰ উপলক্ষে মহাবিদ্যালয়খনত দিহানাম, বাঁহীবাদন, ৰচনা ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত ২৯জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগী হিচাপে অংশগ্ৰহন কৰে আৰু বিজয়ী প্ৰতিযোগী সকলক প্ৰমান পত্ৰ, কিতাপৰ টোপোলা আৰু মেডেল প্ৰদান কৰা হয়। তিথি উপলক্ষে নাম-প্ৰসঙ্গ আৰু অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা এক অনুষ্ঠানৰ আয়োজন কৰা হয়।

## Beauty Queen

**GOHPUR,OCT 6:** Karina Bhuyan, a student of third semester Medical Laboratory Technician has recently won a prestigious beauty pageant title namely 'Miss Assam'. Organised by Jealous 21, the finale of the show took place at Machkhowa in Guwahati on October 6. It is pertinent to mention that Karina had already managed to bag 'Miss Diva', a Lakhimpur based beauty pageant title prior to participating in Miss Assam contest. Chaiduar College fraternity has extended appreciation to Karina, a resident of Bhogpur for bagging this state level fame. This goes on to show the excellence of Chaiduar College students who have been shining in every sphere of life including academics and extracurricular activities.

## ক্ৰীড়া সাংবাদিকৰ কৰ্মশালা

**তেজপুৰ, আগষ্ট ২০ঃ** তেজপুৰত অসম ক্ৰীড়া সাংবাদিক আৰু তেজপুৰ ক্ৰীড়া সন্থাৰ সহযোগত এখন কৰ্মশালা অনুষ্ঠিত হৈ যায়। ছয়দুৱাৰ মহাবিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ গণ সংযোগ বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাখন পৰিচালনা কৰে সৰ্ব ভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাই। উক্ত সভাত জ্যেষ্ঠ ফটো সাংবাদিক নলিনি বৰুৱাক সম্বৰ্ধনা জনোৱা হয় । তেজপুৰ আইন মহাবিদ্যালয়ৰ অধ্যক্ষ বুলন বৰুৱা, তেজপুৰ বিশ্ববিদ্যালয়ৰ গণ সংযোগ বিভাগৰ প্ৰৱক্তা অভিজিত বৰুৱা, ডি ৱাই ৩৬৫ সাংবাদিক প্ৰনয় বৰদলৈ আৰু আসাম ট্ৰিবিউন কাকতৰ ক্ৰীড়া সাংবাদিক প্ৰবিত্ৰ গগৈকে আদিকৰি বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে আৰু ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্য কৰি ক্ৰীড়া সাংবাদিকতাৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাখনৰ পৰিচালক সুবোধ মল্ল বৰুৱাই কৰ্মশালাখনৰ ওপৰত এক বাতৰি প্ৰতিযোগিতা অনুস্থিত কৰা হ'ব বুলিও উল্লেখ কৰে । ছাত্ৰ-ছাত্ৰী আৰু উদ্যোক্তা সকলৰ মাজত অন্তৰংগ আলাপেৰে সভাৰ অন্ত পৰে।

## চিকিৎসা শিবিৰ

**গহপুৰ, আগষ্ট ২৮ ঃ** গহপুৰ মহকুমাৰ খাৰৈপামৰ, খাৰৈপাম প্ৰাৰ্থমিক বিদ্যালয়ত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। ভাৰতীয় চাহ সংস্থাৰ অৰ্ন্তগত বুৰৈ আৰু বিশ্বনাথ শাখাৰ উদ্যোগত অনুস্থিত এই শিবিৰত বান পীতি লোক সকললৈ চিকিৎসা সেৱা আগবঢ়োৱা হয়। এই শিবিৰত গহপুভ্ৰাম্যমাণ চিকিৎসা সেৱা গোটৰ তৰফৰ পৰা স্বাস্থ্য পৰীক্ষা ৰ লগতে বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। চিকিৎসা শিবিৰত বুৰৈ আৰু বিশ্বনাথ শাখাৰ প্ৰতিখন চাহ বাগিচাৰ চিকিৎসক কৰ্মচাৰী আৰু এফ আৰ ইউৰ জ্যেষ্ঠ চিকিৎসক ডাঃ বি ডি ভৰালীয়ে চিকিৎসা সেৱা আগবঢ়ায়। উক্ত চিকিৎসা শিবিৰত নয়া ঘগৰা চাহ বাগিচা পৰিচালক (মেনেজাৰ) মৃদুল হাজৰিকাকে ধৰি বৰগাং আৰু বিহালী চাহ বাগিচাৰ পৰিচালক উজ্জল বৰা আৰু ৰাহুত বৰা উপস্থিত থাকে।

## ঘাঁহিগাঁৱত শিশুৰ মৃত্যু

**হেলেম, আগষ্ট ২৫ঃ** গহপুৰ সমষ্টিৰ ঘাঁহিগাঁও আৰক্ষী চকীৰ অন্তৰ্গত বন্ধাজান চিলতীয়া গোপচাৰৰ কণপাই দাস আৰু সৰুমাই দাসৰ এবছৰীয়া পুত্ৰ ঘৰৰ কাষতে থকা এটা কেঁচা কুঁৱাত পৰি মৃত্যুক সাৱতি লয়। জানিব পৰা মতে শিশুটোক চোতালত খেলি থাকিবলৈ দি মাকে ঘৰুৱা কামত ব্যস্ত হৈছিল। কিছু সময়ৰ পিছত চোতালত শিশুটোক নেদেখি হুৱাদুৱা লগাই অৱশেষত শিশুটোক ঘৰৰ কাষৰ কেঁচা কুঁৱাটোত উপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰা হয়। শিশুটোৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।




*A snapshot from the recently held Popular Talk on Physics on the theme of 'Philosophers'Sky'organised by Department of Physics in connection with the ongoing Golden Jubilee Celebration of Chaiduar College, Gohpur. Dr. Kishore Kumar Boruah, Department of Physics, Tezpur University acted as the resource person for the workshop. photo- Nisha Sahu.*

## সংগীত কৰ্মশালা

**গহপুৰ আগষ্ট ২৮ঃ** গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ত জ্যোতি সংগীত আৰু বিষ্ণুৰাভা সংগীতৰ এখনি সাতদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ সুকুমাৰ কলা কেন্দ্ৰৰ উদ্যোগত অনুস্থিত এই কৰ্মশালা খনিত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত আছিল গুৱাহাটী জ্যোতি-বিষ্ণু সাংস্কৃতিক মঞ্চৰ ৰঞ্জন ভট্টাচাৰ্য। উক্ত কৰ্মশালা খনিত মহাবিদ্যালয়ৰ সুকুমাৰ কলা কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰী,স্থানীয় সংগীতানুৰাগী আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলেও অংশগ্ৰহণ কৰে। কৰ্মশালা খনিত অংশগ্ৰহণ কৰা সকলো প্ৰশিক্ষাৰ্থীক একোখনকৈ প্ৰমান পত্ৰ প্ৰদান কৰা হয়।

## Teacher bags honour

**GOHPUR, OCT 21:** Dr. Ajit Hazrika, Associate Professor from the Department of Zoology has bagged the prestigious Best Science Teacher Award from Indian National Science Academy (INSA) for the year 2017. Dr. Hazarika has achieved this rare feat beating many other contenders and happens to be only teacher from the entire North Eastern region to be awarded this year. INSA has published a list of total 12 recipients all across the country who will be awarded later this year. Dr.A.K.Ozah, Principal of the college has opined that this feat is a big boost before the upcoming NAAC visit.

## Health Camp Organized

**GOHPUR, SEPT 24:** In connection with the ongoing Golden Jubilee Year Celebration of Chaiduar College Gohpur, Department of Medical Laboratory Technician organised a Free Health Check-up Camp on September 22. In the camp, a total of 188 participants including students, faculties and staffs were provided with the basic health check up and diagnosis. Dr. Jagannath Sharma, retired Medical Officer and also a guest faculty at the department of MLT acted as the Chief Medical Officer. The Camp coordinated by Manoranjan Barman, Assistant Professor, MLT was inaugurated by Dr. Jagannath Upadhaya, Vice Principal, Chaiduar College. Among others, Dr. Ajit Hazarika, Dr. Mohini Mohan Borah were present during the said event.



ফাইল ফটো

*▪ সদৌ অসম ছাত্ৰ সন্থাৰ ছয়দুৱাৰ মহাবিদ্যালয় গোটৰ বান সমস্যাৰ স্হায়ী সমাধানৰ দাবীত পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ন*

# বান সমস্যাৰ স্থায়ী সমাধানৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী

**গহপুৰ,ছেপ্তেম্বৰ ১৪**:সদৌ অসম ছাত্ৰ সন্থাৰ ছয়দুৱাৰ মহাবিদ্যালয় গোটৰ উদ্যোগত গহপুৰ মহকুমাৰ বিভিন্ন ছাত্ৰ সংগঠনৰ সহযোগত ১৪ছেপ্তেম্বৰত ছয়দুৱাৰ মহাবিদ্যালয়ৰ বান সমস্যাৰ স্থায়ী সমাধান আৰু তাৰ লগতে গহপুৰৰ মাজ মজিয়াৰ ৰাষ্ট্ৰীয় ঘাই পথৰ মেৰামতি, চত্ৰং নদীৰ ভগ্ন মথাউৰীৰে সৃষ্টি হোৱা বান সমস্যাৰ স্হায়ী সমাধানৰ দাবীত পথ অৱৰুধ কাৰ্যসূচী ৰূপায়ন কৰে। বিগত বহু বছৰ ধৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বাটচ'ৰাকে আদি কৰি চৌহদৰ অধিকাংশ ঠাইত এজাক বৰষুণতেই অহৰহ বান সদৃশ পৰিৱেশৰ সন্মুখিন হৈ আহিছে। যাৰ ফলশ্ৰুতিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ যথেষ্ট বিঘ্নিত হৈছে । আনহাতে প্ৰশাসন,মন্ত্ৰী তথা অন্যান্য বিয়াগোম চৰকাৰী বিষয়ববীয়া সকলৰ নিৰ্লিপ্ত ভূমিকাই ছাত্ৰ-ছাত্ৰী তথা অন্যান্য সচেতন মহলক ক্ষুন্ন কৰি তুলিছে। অৱশেষত সদৌ অসম ছাত্ৰ সন্থা ছয়দুৱাৰ মহাবিদ্যালয় গোটটোৱে আন ১০ টা জাতীয় ছাত্ৰ সংগঠনৰ সহযোগত উক্ত দাবী আদায় কৰা উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে ।

# গহপুৰ ঃ এটি সম্ভাৱনাময় অথচ উপেক্ষিত পৰ্যটনস্থলী

**দিলীপ ৰবি দাস,গহপুৰ** ঃ দীপাৱলীৰ প্ৰাক্‌খনত সদ্যমুক্ত অসম পৰ্যটন নিগমে এক প্ৰ'ম' ভিডিঅ' মুক্তিৰ দ্বাৰা অসমক অন্য পৰ্যটন নগৰী সমূহৰ সমপৰ্যায়ৰ কৰাৰ লগতে , অসমতো পৰ্যটনক উদ্যোগ হিচাপে গঢ়িতোলাৰ এক নতুন প্ৰয়াস কৰিছে । উক্ত প্ৰ'ম' ভিডিঅ'টিত অসমৰ সম্ভাৱনাময় বিভিন্ন পৰ্যটন ক্ষেত্ৰ সমূহৰ লগতে অসমৰ কৃষ্টি - সংস্কৃতি ইত্যাদিৰ বিভিন্ন দৃশ্য সন্নিবিষ্ট কৰা হৈছে । পৰিতাপৰ বিষয় যে উক্ত ভিডিঅ'টিত অসমৰ সোণালী ইতিহাসৰ সাক্ষ্য বহন কৰা গহপুৰৰ কিন্তু এটি দৃশ্যও সন্নিবিষ্ট হোৱা পৰিলক্ষিত নহ'ল । অসম পৰ্যটন নিগমৰ এই অবহেলা এক ৰাজনৈতিক সক্ৰান্ত নে ইতিহাস বিজড়িত গহপুৰক পৰ্যটনৰ মূলসূতীৰ পৰা আঁতৰাই ৰখাৰ এক প্ৰয়াস, এই লৈ সচেতন মহলত উদ্বেগৰ সৃষ্টি হৈছে ।

অসমৰ সোণালী ইতি হাসৰ পাতত গহপুৰৰ এক সুকীয়া স্থান আছে। বিভিন্ন জাতি জনগোষ্ঠীৰ সমন্বয় ক্ষেত্ৰ গহপুৰত এনে বহু ঠাই আছে যিয়ে আহোম যুগকে ধৰি ইতিহাসৰ অলেখ স্মৃতি পুঞ্জিত কৰি ৰাখিছে। গহপুৰৰ বৃহত্তম অঞ্চল কলাবাৰীৰ বুকুতে সোমাই আছে ঐতিহ্যৰ অনেক চানেকী। কলাবাৰী অঞ্চলৰ দক্ষিণে আছে আহোম ৰাজত্ব কালৰ সোণালী সাক্ষী বাসুদেৱ দ'ল। নাতি দূৰতে অৱস্থিত১৮৯৭আৰু১৯৫০ চনৰ বৰভূমিকম্পত ভাঙি চুৰমাৰ হোৱা ধন্দি দৌলৰ ভগ্নাৱশেষে বুৰঞ্জীৰ কথা স্মৰণ কৰি তাৰ প্ৰতি চপৰা ইটাই বুজাই দিয়ে শিৱভক্ত ধন্দিৰাজৰ সেই কীৰ্তিৰ কথা আৰু তাৰ গাতে লাগি আছে ধন্দি বিল। অসমৰ অন্যতম শক্তিপীঠ কল্যাণী দেৱালয় গহপুৰৰ ডিপৰাত অৱস্থিত। কামাখ্যাৰ পিচতে অসমত কল্যাণী দেৱালয়ৰ সুকীয়া স্থান আছে। সাহিত্য সংস্কৃতি, শিল্প সাধনা, সৃষ্টিশীল কৃষ্টীৰ কঠীয়া তলি গহপুৰত জ্যোতি প্ৰসাদৰ প্ৰথমখন অসমীয়া বোলছবি নিৰ্মানৰ ষ্টুডিঅ' 'চিত্ৰবন' ভোলাগুৰি চাহ বাগিচাত অৱস্থিত। অসমৰ সত্ৰ সংস্কৃতিৰ ধ্বজা বহনকাৰী শংকৰ- মাধৱৰ মণিকাঞ্চন সংযোগৰ সাক্ষী "বেলগুৰি সত্ৰ" আৰু শ্ৰীমন্ত শংকৰ দেৱৰ স্মৃতি বহনকাৰি গুৱা ধৰা থান এই গহপুৰতেই অৱস্থিত। গহপুৰ চহৰৰ মাজমজিয়াত থকা আহোমৰ কীৰ্তি বহনকাৰী বৰপুখুৰী ইতিহাসৰ অন্য এক সাক্ষ্য। এই পুখুৰীটো১৩৬৫-১৩৮৫ খৃষ্টাব্দতে আহোম ৰজা আৰিমত্তই খন্দোৱা বুলি জনশ্ৰুতি আছে।

ঐতিহাসিক সমলেৰে গহপুৰ চহকী। গহপুৰৰ এই কীৰ্তিচিহ্ন সমূহৰ বহু খিনিয়েই সংৰক্ষণৰ অভাৱত ধ্বংসৰ গৰাহত। চৰকাৰৰ সদ্ ইচ্ছাৰ অভাৱ আৰু অৱহেলাৰ বাবে অসমৰ এই সোণালী ইতিহাস আজি বিলুপ্তিৰ পথত। ইতিহাসৰ এই সমল সমূহ যদি উপযুক্ত আন্তঃগাঁঠনিৰে পৰ্যটন নিগম আৰু চৰকাৰৰ তৰফৰ পৰা সংৰক্ষণৰ লগতে পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰা হয় তেন্তে গহপুৰ খনো এখন সুন্দৰ পৰ্যটন স্থলী লৈ পৰিৱৰ্তন হোৱাৰ অযুত সম্ভাৱনা আছে।

# শিশু বিজ্ঞান সমাৰোহ

গহপুৰ,২৪ছেপ্তেম্বৰ ঃ- বিশ্বনাথ জিলাৰ পঞ্চবিংশতিতম ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ ছয়দুৱাৰ মহাবিদ্যালত ২৪ছেপ্তেম্বৰত অনুস্থিত হয় ।ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ সোণালী জয়ন্তী বৰ্ষৰ এই সমাৰোহ খন পতাকা উত্তোলনেৰে শুভাৰম্ভ হয়।এই সমাৰোহত বিশ্বনাথ জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা সাত শতাধিক শিশু বিজ্ঞানীয়ে সৰ্বমুঠ ১৩৫ টা প্ৰকল্প সহ অংশ গ্ৰহণ কৰে। পৰৱৰ্তী কাৰ্যসূচী অনুসৰী বিশ্বনাথ জিলাৰ ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ কাৰ্য কৰী সভাপতি ৰাণা প্ৰসাদ হাজৰিকাৰ সভাপতিত্বত সমাৰোহৰ উদ্বোধনী সভা খন অনুষ্ঠিত হয়। উক্ত সভাত গহপুৰৰ বিধায়ক উৎপল বৰাই উদ্বোধনী ভাষণ প্ৰদান কৰে। বিভিন্ন মহাবিদ্যালয় পৰা বিচাৰক হিচাপে নিমন্ত্ৰিত কেইবাগৰাকীও প্ৰবক্তাই, বহনক্ষম উন্নয়নৰ বাবে বিজ্ঞান প্ৰযুক্তি আৰু উদ্ভাৱন শীৰ্ষক শিশু বিজ্ঞানী সকলে প্ৰস্তুত কৰা প্ৰকল্প সমূহ মূল্যায়ন কৰে।

*স্পষ্টীকৰণ ঃ এই বাতৰি কাকতত প্ৰকাশিত সকলো অভিমত গণমাধ্যম বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অনুদিত। এই কাকতত প্ৰকাশিত অভিমতসমূহে মহাবিদ্যালয়ৰ দৃষ্টিভঙ্গী প্ৰতি ফলিত নকৰে।*